# বৰগীত (ৰাগ – আশাোৱাৰীঃ তাৰ – পৰি)

## TEXTUAL QUESTIONS AND ANSWERS

---

**প্ৰশ্ন ১: চমুউত্তৰ দিয়া —**

( ক ) বৰগীতটি কোনে ৰচনা কৰা ?

**উত্তৰঃ** বৰগীতটি মহাপুৰুষ শ্ৰী শ্ৰী শংকৰদেৱে ৰচনা কৰা ।

( খ ) বৰগীতটি কি ৰাগত উল্লেখ আছে ?

**উত্তৰঃ** বৰগীতটি ‘ আশাোৱাৰী ৰাগত ’ ৰাগত উল্লেখ আছে ।

( গ ) কালিন্দী নদীৰ তীৰত কোনে ধেনু চৰাইছে ?

**উত্তৰঃ** কালিন্দী নদীৰ তীৰত গাোপ বালকৰ সৈতে শ্ৰীকৃষ্ণই ধেনু চৰাইছে।

( ঘ ) গাোপ শিশুসকলে কাৰ সৈতে আনন্দ কৰিছে ?

**উত্তৰঃ** গাোপ শিশুসকলে শ্ৰীকৃষ্ণৰ সৈতে আনন্দ কৰিছে ।

( ঙ ) কৃষ্ণৰ শ্যামবৰণীয়া শৰীৰৰ বাওকাষত কিহে শাোভা বঢ়াইছে ?

**উত্তৰঃ** কৃষ্ণৰ শ্যামবৰণীয়া শৰীৰৰ বাওকাষত শিঙা আৰু বেঁতে শাোভা বঢ়াইছে ।

( চ ) শংকৰদেৱৰ জীৱনৰ কীৰ্তিস্তম্ভ কি ?

**উত্তৰঃ** শংকৰদেৱৰ জীৱনৰ কীৰ্তিস্তম্ভ  হ’ল কীৰ্ত্তন ঘাোষা ।

**প্ৰশ্ন ২: বৃন্দাবনৰ আনন্দমুখৰ পৰিৱেশটোৰ চমু বৰ্ণনা** দিয়া ।

**উত্তৰঃ** বৃন্দাবনত শ্ৰীকৃষ্ণই গাোপবালকৰ সৈতে গৰু চৰাবলৈ গৈছে । গৰুবাোৰক যমুনা ( কালিন্দী ) নদীৰ পাৰত চৰিবলৈ দি তেওঁ গাোপবালক বিলাকৰ সৈতে লীলা খেলা আৰম্ভ

কৰিছে । কৃষ্ণৰ ৰূপৰ জেউতিত চাৰিও দিশ উজ্বলি উঠিছে । লৰি ঢাপৰি ফুৰোঁতে তেওঁৰ চুলিত গুজি লোৱা ময়ূৰৰ পাখি কানৰ কুণ্ডল , হাতৰ কেৰু আৰু ডিঙিৰ বনমালা নাচি নাচি উঠিছে । তেওঁৰ ককালৰ অলংকাৰৰ ৰিণি ৰিণি শব্দ আৰু ভৰিৰ পুৰৰ জুন – জুননিয়ে বৃন্দাবন মুখৰিত কৰি তুলিছে । খেলা – ধুলাৰ মাজতে কদম গছৰ তলত ত্ৰিভংগ ভংগীত থিয় হৈ কৃষ্ণই পঞ্চম সুৰত বাহী বজাইছে । দুৰ দুৰলৈ বিয়পি গৈছে বাঁহীৰ সুৰ । সেই সুৰত গোপশিশুসকল অধিক আনন্দত মতলীয়া হৈ উঠিছে ।

কৃষ্ণই গোপশিশুসকলৰ সৈতে গৰু চৰাবলৈ যাওঁতে এনেকুৱা এক আনন্দমুখৰ পৰিৱেশ বিৰাজ কৰিছে ।

**প্ৰশ্ন ৩: শ্ৰীকৃষ্ণৰ শাৰীৰিক সৌন্দৰ্য পাঠৰ আধাৰত বৰ্ণনা কৰা** ।

**উত্তৰঃ** শ্ৰীকৃষ্ণই গোপশিশুৰ সৈতে গৰু চৰাবলৈ বৃন্দাবনলৈ গৈছে । দেৱজ্যোতিৰে দীপ্ত শ্ৰীকৃষ্ণৰ এনেয়ে ভুৱন ভুলোৱা ৰূপ , তাতে আকৌ নানা বেশভূষা আৰু পীতবস্ত্ৰই তেওঁৰ শ্যাম বৰণীয়া শৰীৰক অধিক সৌন্দৰ্য দান কৰিছে । তেওঁৰ শিৰত হালে – জালে ময়ূৰৰ পাখি , দুকাণত দোলে সুৱৰ্ণ কুণ্ডল । ডিঙিত তেওঁৰ সুদীৰ্ঘ বনমালা , দেৱমণি কৌস্তুভেৰে শোভিত বক্ষস্থল । মুখত তেওঁৰ স্মিত হাঁহিৰ জিলিঙণি । খোজে প্ৰতি ৰিণি-ৰিণিকৈ বাজি উঠে ককালৰ অলংকাৰ ,

জুন – জুনুককৈ বাজে ভৰিৰ নূপুৰ । যমুনাৰ পাৰত কদম গছৰ তলত ত্ৰিভংগ হৈ তেওঁ বাঁহীত সুৰ তোলে । তেওঁৰ দেৱকল্প শৰীৰৰ সৌন্দৰ্যত সকলো মোহিত হয় ।

**প্ৰশ্ন ৪: “ ত্ৰিভঙ্গ ললিত হাস ” মানে কি ?**

**উত্তৰঃ** ডিঙি , ককাল আৰু আই বেকাকৰি থিয় হৈ শ্ৰীকৃষ্ণই মধুৰ হাঁহি মাৰিছে ।

**প্ৰশ্ন ৫: ‘গণ্ড’ আৰু ‘পঙ্কজ’ শব্দৰ অৰ্থ লিখা ।**

**উত্তৰঃ** ‘ গণ্ড ’ মানে ‘ গাল ’ আৰু ‘পঙ্কজ ’ মানে ‘ ‘পদুম ফুল’ ।

**প্ৰশ্ন ৬: বৰগীত কাক বোলে ? ইয়াৰ তিনিটা লক্ষণ লিখা ।**

**উত্তৰঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু তেওঁৰ প্ৰধান শিষ্য মাধৱদেৱে ৰচনা কৰা গীতসমূহকে বৰগীত বোলা হয় । অৱশ্যে মহাপুৰুষ দুজনে তেওঁলোকৰ গীতসমূহক কতো বৰগীত বুলি কৈ থোৱা নাই । হয়তো তেওঁলোকৰ পিছত ভকতসকলে

এইবা েৰ গীতক সাধাৰণ গীতৰ পৰা পৃথক ভাবত ৰাখিবলৈ বা এই গীতসমূহৰ উচ্চ ভাব , বিষয়বস্তুৰ বাবে শ্ৰেষ্ঠ অৰ্থত ( শ্ৰেষ্ঠ বৰ ) বৰগীত আখ্যা দিছে ।

**বৰগীতৰ তিনিটা লক্ষণ হৈছে—**

১। শাস্ত্ৰীয় ৰাগ আৰু আধ্যাত্মিক ভাবৰ প্ৰাধান্য ।

২। এইবা েৰৰ মূল ভাষা ব্ৰজাৱলী ।

৩। বাৎসল্য , শান্ত আৰু দাস্য ভাব প্ৰাধান্য ।

**প্ৰশ্ন ৭: চমুটোকা লিখা –**

**১। ব্ৰজাৱলী ভাষা ।**

**উত্তৰঃ ব্ৰজাৱলী ভাষাঃ** ব্ৰজাৱলী হৈছে এটা কৃত্ৰিম সাহিত্যিক ভাষা । নৱবৈষ্ণৱ আন্দোলনৰ সময়ত বৈষ্ণৱ কবিসকলে অসম , উৰিষ্যা , বংগ আদিৰ সাধাৰণ মানুহে বুজিব পৰাকৈ ব্ৰজাৱলী ভাষা সৃষ্টি কৰিছিল । মিথিলাৰ ব্ৰজধামৰ ভাষাক কেন্দ্ৰ কৰি সৃষ্টি কৰা বাবে এই ভাষাটোক ব্ৰজাৱলী ভাষা বুলি কোৱাৰ থল আছে । শংকৰদেৱ আৰু মাধৱদেৱে বৰগীত আৰু অংকীয়া নাটসমূহত এই ভাষাটো ব্যৱহাৰ কৰিছিল । অৱশ্যে অসমীয়া ব্ৰজাৱলীৰ লগত বঙালী ব্ৰজাৱলী বা মৈথিলী ব্ৰজাৱলীৰ কিছু পাৰ্থক্য দেখা যায় ।

**ভটিমাঃ** ভটিমা হ'ল প্ৰশস্তি বা গুণ – গৰিমা প্ৰকাশক গীত । প্ৰকাশভঙ্গীৰ গাম্ভীৰ্য ইয়াৰ বিশেষ লক্ষণ। স্তুতিপদ গীত গাই ফুৰা ভ্ৰাম্যমান গায়কক পুৰণি কালত ভাট ' বুলিছিল । এই ভাটৰ মুখত দিয়া ভক্তিপদ গীতকে ভটিমা বা েলা হয় । শংকৰদেৱে তিনি প্ৰকাৰৰ ভটিমা –'নাট – ভটিমা' , 'দেৱ – ভটিমা ' আৰু 'ৰাজ – ভটিমা ' প্ৰৱৰ্তন কৰে । মাধৱদেৱেও ' গুৰু – ভটিমা ' নামেৰে এক শ্ৰেণীৰ ভটিমা সৃষ্টি কৰে । গতিকে সৰ্বমুঠ চাৰিপ্ৰকাৰৰ ভটিমা পা েৱা যায় ।

**প্ৰশ্ন ৮: প্ৰসঙ্গ সঙ্গতি দৰ্শাই ব্যাখ্যা কৰা—**

**( ক ) কেয়ুৰ কঙ্কণ কৰে উৰে বনমালা লুলে**

**মধুৰ মধুপ মধু ভুলে । ”**

**উত্তৰঃ** বৰগীতফাঁকি আমাৰ পাঠ্য পুথিৰ অন্তৰ্গত শ্ৰী শ্ৰী শংকৰদেৱে ৰচনা কৰা ' আনন্দে গােবিন্দে বায় বৃন্দাবনে বেণু' — এই বৰগীতটিৰ পৰা উদ্‌ধৃত কৰা হৈছে ।

এই বৰগীত ফাঁকিৰ জৰিয়তে কবি গৰাকীয়ে বৃন্দাবনত গৰু চৰাই থকা পৰম পুৰুষ শ্ৰীকৃষ্ণৰ অপৰূপ চিত্ৰ এখন দাঙি ধৰিছে ।

শ্ৰীকৃষ্ণই বৃন্দাবনত গােপবালকৰ সৈতে গৰু চৰাইছে । তেওঁৰ শ্যামবৰণীয়া দেহ পীতবস্ত্ৰৰে শােভিত । তেওঁ নানা অলংকাৰ পৰিধান

কৰিছে মুৰত ময়ুৰৰ পাখি , কাণত কুণ্ডল , বাহুত , কেয়ুৰ কঙ্কণ , ককাঁলত কেবা তৰপীয়া হাৰ , ভৰিত নুপুৰ আৰু ডিঙিত আজনুলম্বিত বন – ফুলৰ মালা । সেই মালাৰ মাজত গাঁথা আছে কদমৰ সুগন্ধি

ফুল আৰু ভুন ভুনকৈ উৰি ফুৰা ভােমােৰা শ্ৰীকৃষ্ণৰ ডিঙিত মােলায়মান সেই বনমালাত মৌৰ লােভতে আহি পৰিছেহি ।

**( খ ) ত্ৰিভঙ্গ ললিত হাস কৰু হৰি ক্ৰৱভাস**

**দৰশিয়া লীলা বিলাসে ।**

**উত্তৰঃ** বৰগীতফাঁকি আমাৰ পাঠ্যপুথিৰ অন্তৰ্গত শ্ৰী শ্ৰী শংকৰদেৱে ৰচনা কৰা ' আনন্দে গােবিন্দে বায় বৃন্দাবনে বেণু ' – এই বৰগীতটোৰ পৰা উদ্‌ধৃত কৰা হৈছে ।

এই বৰগীত ফাঁকিৰ মাজেৰে কবিয়ে পৰম পুৰুষ ভগৱান শ্ৰীকৃষ্ণৰ লীলা আৰু মহিমা প্ৰকাশ কৰিছে ।

পৰম – পুৰুষ ভগৱান শ্ৰীকৃষ্ণৰ লীলা – খেলাৰ অন্ত নাই । গােপবালকৰ সৈতে তেওঁ নানা লীলা – খেলা কৰে । বৃন্দাবনলৈ গােপবালকৰ লগত গৰু চৰাবলৈ যাওঁতেও তেওঁ লীলা – খেলা আৰম্ভ কৰিছে । গৰু বিলাকক যমুনাৰ পাৰত চৰিবলৈ দি তেওঁ কদম গছৰ তলত ত্ৰিভঙ্গ ভঙ্গীত থিয় হৈছে । হাতত তেওঁৰ চিৰলগৰীয়া মােহন বাঁহী । এনেকৈ ডিঙি , ককাল আৰু আটু বেকা কৰি থিয় হ'লে শ্ৰীকৃষ্ণৰ ৰূপৰ জেউতি যেন আৰু চৰে । তেনেকৈ থিয় হৈ তেওঁ সুন্দৰ চেলাউৰিযােৰৰ বিশেষ ভঙ্গী দেখুৱাই সেই ভূৱন ভুলােৱা ধুনীয়া হাঁহিটো মাৰি লীলা – খেলা আৰম্ভ কৰিছে ।

**প্ৰশ্ন ৯: শংকৰদেৱৰ সাহিত্য কৃতিৰ বিষয়ে চমুকৈ লিখা ।**

**উত্তৰঃ** মধ্যযুগীয়া অসমীয়া সাহিত্যৰ মধ্যমণি হ’ল মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ । অসমত বৈষ্ণৱ ভক্তিধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে এইজনা গুৰুৱে আমাৰ বাবে সৃষ্টি কৰি থৈ গৈছে নাট , ভটিমা , গীত , পদ আদি। তেওঁ ৰচনা কৰি যাোৱা সাহিত্য কৃতি সমূহ হ’ল—

১। **কাব্য** – হৰিশ্চন্দ্ৰৰ উপাখ্যান , ৰুক্মিনীহৰণ , বলিছলন , অমৃত মন্থন , অজামিল উপাখ্যান আৰু কুৰুক্ষেত্ৰ ।

২। **অংকীয়া নাট** –প ত্নীপ্ৰসাদ , কালিয়দমন , কেলিগাোপাল , ৰুক্মিনীহৰণ , পাৰিজাত হৰণ আৰু ৰামবিজয় । চিহ্ন যাত্ৰাক নাটক বুলি নধৰি ধৰ্ম প্ৰচাৰৰ সূচনা কৰা এক যাত্ৰা অনুষ্ঠান বুলিহে কোৱা হয় ।

৩। **গীত** – বৰগীত , ভটিমা , টোটয় আৰু চপয় ।

৪। **নামপ্ৰসংগ** – কীৰ্ত্তন ঘষা আৰু গুণমালা ।

৫। **ভক্তিতত্ত্বমূলক সংগ্ৰহ** – ভক্তি প্ৰদীপ , ভক্তি ৰত্নাকৰ , মিমি – নৰসিদ্ধ সংবাদ , অনাদি পান ।

৬। **অনুবাদমূলক গ্ৰন্থ** – ভাগৱত – ১ম , ২য় , ৬ষ্ঠ , ৮ম , ১০ম , ১১শ স্কন্দ আৰু উত্তৰাকাণ্ড ৰামায়ণ ।

তেওঁৰ ৰচনাৱলীৰ ভিতৰত ‘কীৰ্ত্তন ঘাোষা’ক তেওঁৰ জীৱনৰ কীৰ্তিস্তম্ভ বুলি । কোৱা হয় ।

## ভাষা-বিচাৰ

**প্ৰশ্ন ১: সমাৰ্থক শব্দ লিখা ।**

নেত্ৰ , পদুম , অৰুণ , চৰণ ।

**উত্তৰঃ** তনু – দেহ , শৰীৰ , গা ।

নেত্ৰ – চকু , নয়ন , লাোচন , চক্ষু , আখি , অক্ষি ।

পদুম – পদ্ম , পংকজ , উৎপল , শতদল , কমল , শতপত্ৰ ।

অৰুণ – সূৰ্য , বেলি , ৰবি , দিবাক , আদিত্য , ভাস্কৰ ।

চৰণ – ভৰি , পদ ।

**প্ৰশ্ন ২: আধুনিক ৰূপ লিখা –**

ভাস , ভ্ৰূৱ , বেত্ৰ , মধুপ , দৰশিয়া

**উত্তৰঃ** ভাস – প্ৰকাশ ।

ভ্ৰূৱ – চেলাউৰি ।

বেত্ৰ – বেঁত , সৌকা ।

মধুপ – ভােমােৰা ।

দৰশিয়া – দেখুৱাই ।

**প্ৰশ্ন ৩: শব্দাৰ্থ লিখা—**

ভুলে , ৰহিয়া , মঞ্জীৰ , কেয়ুৰ , বায় , কাঞ্চী ।

**উত্তৰঃ** ভুলে – ভােল যায় ।

ৰহিয়া – ঠৰ , ৰােৱা ।

মঞ্জীৰ – ভৰিৰ অলংকাৰ , নুপুৰ ।

কেয়ুৰ – বাহুৰ অলংকাৰ , বাজু ।

বায় – বজায় ।

কাঞ্চী – কঁকালত পিন্ধা কেইবাগছীয়া হাৰ ।